**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-05-2025
**Time :** 12-05 Hrs

***Assamese Midday Bulletin***
**----------------------------**

অপাৰেচন সিন্দুৰৰ সফলতা উদযাপন কৰি বিজেপিয়ে আয়োজন কৰা ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে। ধেমাজি জিলাত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই যাত্ৰাৰ নেতৃত্ব দিয়ে। চিলাপথাৰত প্ৰাক্তন সেনা জোৱানৰ লগত ত্ৰিৰংগ পতাকা হাতত লৈ শিক্ষামন্ত্ৰীগৰাকীয়ে সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূবন পেগুৰ সৈতে এই যাত্ৰাত অংশগ্ৰহণ কৰে।

পশ্চিম কাৰ্বি আংলঙৰ বিভিন্ন প্ৰান্তত আজি ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাকিস্তানৰ ভূমিক সেনাবাহিনীয়ে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত জড়িত সকলক উচিত প্ৰত্যুত্তৰ দিয়া কাৰ্যৰ সন্মানাৰ্থে জিলাখনৰ সদৰ হামৰেন ছয়আলিৰ পৰা নতুন বজাৰলৈ এই শোভাযাত্ৰা উলিওৱা হয়। আনহাতে দুৱাৰ আমলামগুল বিজেপিৰ উদ্যোগত ভকচঙত থকা ভূমি সংৰক্ষণ বিভাগৰ পৰিদৰ্শন ভৱনৰ পৰা ভকচং বজাৰলৈ বিশাল শোভাযাত্ৰা উলিওৱা হয়।

শিলচৰতো ১১ দিনীয়া ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী পালন কৰা হৈছে। প্ৰবল বৰষুণৰ মাজতো কালি ছাত্ৰ-ছাত্ৰী, ক্ৰীড়া সংগঠন, সাংস্কৃতিক গোষ্ঠী আৰু নাগৰিক সমাজৰ উপস্থিতিত সেনা বাহিনীৰ বীৰত্বপূৰ্ণ প্ৰত্যুত্তৰক সন্মান জনাই ৰাষ্ট্ৰীয় পতাকা হাতত লৈ পদযাত্ৰা কৰা হয়। বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে এই যাত্ৰাত অংশগ্ৰহণ কৰে।

যোৰহাটতো জিলা বিজেপিৰ সভাপতি শান্তনু পূজাৰীৰ নেতৃত্বত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। লখিমপুৰত ঢকুৱাখনা নাগৰিক সমাজে ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰে। এই যাত্ৰাত বিধায়ক নব কুমাৰ দলেৰ লগতে প্ৰাক্তন সৈনিক, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই গুৱাহাটীৰ নলা-নৰ্দমাসমূহ পৰিষ্কাৰকৰণৰ কাম অহা দেওবাৰৰ ভিতৰত সম্পূৰ্ণ নহ'লে গুৱাহাটী পৌৰ নিগমৰ বিষয়া তথা সংশ্লিষ্ট ঠিকাদাৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দেশ দিছে। মন্ত্ৰীগৰাকীয়ে কালি গুৱাহাটীৰ কেইবাটাও কৃত্ৰিম বানপ্ৰৱণ অঞ্চল পৰিদৰ্শন কৰি নৰ্দমাৰ আবৰ্জনা আৰু বোকামাটি ততালিকে আঁতৰ নকৰিলে দুৰ্যোগ প্ৰশমন আইনৰ অধীনত ব্যৱস্থা গ্ৰহণৰ সকিয়নী দিয়ে। যোৱা বৰ্ষৰ পৰা বানমুক্ত গুৱাহাটী অভিযান আৰম্ভ কৰি ৩০ এপ্ৰিলৰ ভিতৰত নৰ্দমা পৰিষ্কাৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল যদিও সেয়া সম্পূৰ্ণ হৈ নুঠাত মন্ত্ৰীগৰাকীয়ে অসন্তুষ্টি প্ৰকাশ কৰে। লগতে ঠিকাদাৰসকলে আগলৈ দুটা বা তিনিটা কামহে একেলগে ল'ব পাৰিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মন্ত্ৰী মল্লবৰুৱাই কালি অনিল নগৰ, ৰুক্মিনীগাঁও, বেলতলা, বশিষ্ঠপুৰ আদি অঞ্চল পৰিদৰ্শন কৰাৰ লগতে স্থানীয় ৰাইজৰ পৰাও সমস্যাসমূহৰ বুজ লয়। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, কামৰূপ মহানগৰ জিলা

আয়ুক্তৰ উপৰি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিষয়ববীয়া তথা সংশ্লিষ্ট ৱাৰ্ডৰ পাৰিষদসকলো এই পৰিদৰ্শন কালত উপস্থিত থাকে।

০০০০০০

পঞ্চায়ত নিৰ্বাচনত জয়লাভ কৰা ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিওখন জিলা পৰিষদ আৰু ১৬ খন আঞ্চলিক পঞ্চায়তৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ উপৰি ৱাৰ্ডসমূহৰ প্ৰাৰ্থীসকলক কালি বিজেপিৰ ঢকুৱাখনা জিলা সমিতিৰ উদ্যোগত আয়োজিত এটা অনুষ্ঠানত আদৰণি জনোৱা হয়। অনুষ্ঠানত ঢকুৱাখনাৰ বিধায়ক নৱকুমাৰ দলেই নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলে অনাগত দিনৰ নিজ নিজ দায়িত্ব পালন কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত বিজেপিৰ জিলাসমূহৰ সভাপতি, পৌৰপতি, পৌৰ আয়ুক্ত, বিভিন্ন নিগম-নিকায়ৰ অধ্যক্ষ-উপাধ্যক্ষসকলৰ লগতে দলৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

০০০০০০

নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু নাহৰকটীয়া সম-জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱাৰ উপস্থিতিত নাহৰকটীয়াত সম-জিলা পৰ্যায়ৰ ভূমি উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত কৰে। বৈঠকত ৰাজহুৱা প্ৰতিষ্ঠান তথা আন্তঃগাঁথনি উন্নয়নৰ বাবে লাভ কৰা চৰকাৰী ভূমি আবণ্টনৰ আবেদনসমূহ উপস্থাপন কৰা হয়। পুংখানুপুংখ নিৰীক্ষণৰ পাছত আবেদনসমূহ নীতিগতভাৱে অনুমোদন জনোৱা হয়। বৈঠকত নাহৰকটীয়া ৰাজহ চক্ৰৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০

উত্তৰ-পূব উন্নয়ন উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আজি কেইবাটাও চৰকাৰী কাৰ্যসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণ কালত মন্ত্ৰীগৰাকীয়ে দিছপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। বৈঠকত উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ত অধীনত গ্ৰহণ কৰা উন্নয়নমূলক কাম-কাজ আৰু সম্প্ৰতি চলি থকা প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হ'ব।

০০০০০০

ধেমাজিৰ সমাজকৰ্মী সুভাষ দলেৰ কালি নিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬২ বছৰ। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত দলে সদৌ মিচিং দলে অপুন কেবাঙৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক, উপ-সভাপতি, বানে কেবাঙৰ সম্পাদককে ধৰি কংগ্ৰেছ দলৰ এগৰাকী কৰ্মী আছিল।

০০০০০০

**সমাপ্ত**